**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-NOV-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। অসম চুক্তিৰ ছয় নম্বৰ দফা ৰূপায়ণৰ বাবে উচ্চস্তৰীয় সমিতিৰ পৰামৰ্শাৱলী কাৰ্যকৰী কৰণ সন্দৰ্ভত কালি দিছপুৰত তৃতীয়খন বৈঠক সম্পন্ন।

২। ৰাজ্যত ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণৰ কাম আৰম্ভ।

৩। বিদ্যালয় শিক্ষা বিভাগৰ শৈক্ষিক বৰ্ষ পুনৰ জানুৱাৰীৰ পৰা ডিচেম্বৰলৈ প্ৰৱৰ্তনৰ প্ৰস্তাৱ সন্দৰ্ভত সংশ্লিষ্ট পক্ষ সমূহৰ সৈতে ৰাজ্য চৰকাৰৰ আলোচনা।

৪। গোৱাৰ পানাজীত চলি থকা ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত আজি ববিতা শৰ্মা পৰিচালিত **ভুপেনদা আনকাট** ছবিখন প্ৰদৰ্শন। *আৰু*

৫। বৰ্ষাপাৰা টেষ্টৰ আজি দ্বিতীয় দিনা দক্ষিণ আফ্ৰিকাই ছটা উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ২৪৭ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ।

০০০০০০

অসম চুক্তিৰ ছয় নম্বৰ দফা ৰূপায়নৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লব কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠিত উচ্চস্তৰীয় সমিতিৰ পৰামৰ্শাৱলী কাৰ্যকৰী কৰণ সন্দৰ্ভত কালি দিছপুৰত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত তৃতীয়খন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ৰাজ্য চৰকাৰৰ প্ৰতিনিধিবৰ্গ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৰ্গ উপস্থিত থাকে। এই বৈঠকতে অসম চুক্তিৰ ছয় নম্বৰ দফাকে ধৰি ৰূপায়ণ হ'বলৈ বাকী থকা কেইবাটাও দফা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত পৰামৰ্শ দিয়াৰ বাবে অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাৰ অধ্যক্ষতাত তিনিগৰাকী মন্ত্ৰীগোট আৰু আছুৰ তিনিজন নেতাকলৈ গঠিত উপ-সমিতিয়ে মুখ্যমন্ত্ৰীক তেওঁলোকৰ চূড়ান্ত প্ৰতিবেদন দাখিল কৰে। উপ-সমিতিয়ে প্ৰতিবেদনত ন্যায়াধীশ গৰাকীৰ নেতৃত্বাধীন উচ্চস্তৰীয় সমিতিয়ে আগবঢ়োৱা তথা ৰাজ্য চৰকাৰে নিজাববীয়াকৈ কাৰ্যকৰী কৰিব পৰা পৰামৰ্শ কেইটা নিৰ্ধাৰিত সময়ত কাৰ্যকৰী কৰাৰ বাবে ৰূপৰেখা প্ৰস্তুত কৰি দিছে। উল্লেখযোগ্য যে বিপ্লব শৰ্মা সমিতিয়ে দাখিল কৰা ৬৭টা পৰামৰ্শৰ ভিতৰত ৪০ টা ৰাজ্য চৰকাৰৰ আওতাৰ ভিতৰত পৰে। একেদৰে ১৫ টা কেন্দ্ৰীয় চৰকাৰৰ আৰু ১২টা কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ যৌথ প্ৰচেষ্টাৰে কাৰ্যকৰী কৰিবলগীয়া হ'ব। এই বৈঠকৰ পাছত অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাই এখন সংবাদমেলত কয়, যে ৰাজ্য চৰকাৰে এই চুক্তি ৰূপায়ণৰ দিশত গ্ৰহণ কৰা ইতিবাচক পদক্ষেপৰ ক্ষেত্ৰত এই বৈঠক বিশেষ গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰিব পাৰি। তেওঁ লগতে কয়, যে ৰাজ্য চৰকাৰে ইতিমধ্যে বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ পৰামৰ্শসমূহ কাৰ্যকৰীকৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে আৰু যোৱাবাৰৰ বাজেটত ইয়াৰ বাবে ধনো আৱণ্টন কৰা হৈছে।

(বাইট ঃ অতুল বৰা)

ইপিনে সদৌ অসম ছাত্ৰ সন্থাই কেন্দ্ৰীয় চৰকাৰৰ আওতাৰ তথা সংবিধান সংশোধনৰ প্ৰয়োজন হোৱা পৰামৰ্শাৱলী কাৰ্যকৰী কৰণৰ বিষয়টো আলোচনা কৰাৰ বাবে অহা বছৰৰ ৩১ জানুৱাৰীৰ ভিতৰত সংগঠনটোৰ সৈতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ এখন ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত কৰাৰ দাবী জনাইছে।

০০০০০০

ৰাজ্যত কালি ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণৰ কাম আৰম্ভ হৈছে। এই প্ৰক্ৰিয়াৰ অংশ হিচাপে বুথ পৰ্যায়ৰ বিষয়াসকলে ২০ ডিচেম্বৰলৈকে ঘৰে ঘৰে গৈ প্ৰতিগৰাকী ভোটাৰৰ তথ্য সংগ্ৰহ কৰিব। ২০২৬ চনৰ ১ জানুৱাৰীত ১৮ বছৰ সম্পূৰ্ণ হোৱা তথা যোগ্য ভোটাৰৰ নাম ভোটাৰ তালিকাত সন্নিবিষ্ট কৰা হ'ব। বুথ পৰ্যায়ৰ বিষয়াসকলে মৃত্যু হোৱা কোনো লোকৰ নাম ভোটাৰ তালিকাৰ থাকিলে কৰ্তনৰ ব্যৱস্থা কৰিব। আনহাতে অসমৰ কোনো লোকৰ নাম বহিঃৰাজ্যৰ ভোটাৰ তালিকাত থাকিলে তেনে লোকৰ নাম অসমৰ ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰা হ'ব। বুথ পৰ্যায়ৰ বিষয়াসকলে কোনো লোকক ঘৰত নাপালে তিনিবাৰ পৰ্যন্ত গৈ পুনৰীক্ষণ সম্পূৰ্ণ কৰিব লাগিব। সকলো তথ্য বিশেষ এপত সংগ্ৰহ কৰা হ'ব। ২৭ ডিচেম্বৰত খচৰা ভোটাৰ তালিকা আৰু ১০ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব। খচৰা ভোটাৰ তালিকা প্ৰকাশৰ ১৫ দিনৰ ভিতৰত কোনো লোকৰ কিবা অভিযোগ থাকিব সেই অভিযোগ জিলা আয়ুক্তক দিব পাৰিব। জিলা আয়ুক্তৰ কাৰ্যালয়ত অভিযোগ নিষ্পত্তি নহ'লে সেই অভিযোগ মুখ্য নিৰ্বাচনী বিষয়াৰ ওচৰত দাখিল কৰিব পাৰিব।

০০০০০০

ৰাজ্যৰ বিদ্যালয় শিক্ষা বিভাগে শৈক্ষিক বৰ্ষ পুনৰ জানুৱাৰীৰ পৰা ডিচেম্বৰলৈ প্ৰৱৰ্তনৰ প্ৰস্তাৱ সন্দৰ্ভত সংশ্লিষ্ট পক্ষসমূহৰ সৈতে আনুষ্ঠানিক আলোচনা আৰম্ভ কৰিছে। ২০২১ চনত ক'ভিড মহামাৰীৰ সময়ত এপ্ৰিলৰ পৰা মাৰ্চলৈ প্ৰৱৰ্তন কৰা শৈক্ষিক বৰ্ষ সঘনাই বিঘ্নিত হোৱাক লৈ সৃষ্টি হোৱা উদ্বেগৰ মাজতে এই পদক্ষেপ লোৱা হৈছে। বিষয়াসকলে প্ৰকাশ কৰা মতে বিভিন্ন উৎসৱ, বান আৰু এপ্ৰিল মাহৰ প্ৰতিকুল বতৰৰ বাবে এইবাৰৰ শৈক্ষিক বৰ্যত কেইবাখনো জিলাত শিক্ষা আৰু শিকন প্ৰক্ৰিয়া ব্যাহত হৈছে। ৰাজ্য চৰকাৰে পুৰণি শৈক্ষিক বৰ্ষ পুনৰ প্ৰৱৰ্তনৰ সম্ভাৱনাৰ বিষয়টো চালিজাৰি চোৱাৰ বাবে শিক্ষা বিভাগৰ অতিৰিক্ত সচিব কৃষ্ণা বৰুৱাৰ অধ্যক্ষতাত তিনিজনীয়া সমিতি গঠন কৰিছে। সমিতিখনক প্ৰস্তাৱিত সালসলনিৰ প্ৰভাৱৰ অধ্যয়নৰ লগতে সংশ্লিষ্ট পক্ষসমূহৰ সৈতে আলোচনাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। সমিতিখনক চূড়ান্ত প্ৰতিবেদন দাখিলৰ পূৰ্বে ছাত্ৰ সংগঠন, শিক্ষক সংস্থা আৰু বিদ্যালয় কৰ্তৃপক্ষসমূহৰ সৈতে আলোচনা কৰিবলৈ কোৱা হৈছে। ইতিমধ্যে বিদ্যালয় শিক্ষা বিভাগৰ সচিব তথা শৈক্ষিক দিনপঞ্জী পৰিৱৰ্তন সমিতিৰ অধ্যক্ষ কৃষ্ণা বৰুৱাই বিষয়টো সন্দৰ্ভত ইতিমধ্যে প্ৰাথমিক শিক্ষক সন্মিলনীকে ধৰি সংশ্লিষ্ট সকললৈ পৃথকে পৃথকে পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰৰ জৰিয়তে তেওঁলোকক বিষয়টো সন্দৰ্ভত পৰামৰ্শ আগবঢ়াবলৈ কোৱা হৈছে।

০০০০০০

গোৱাৰ পানাজীত যোৱা ২০ নৱেম্বৰৰ পৰা অনুষ্ঠিত ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ-IFFI-ত আজি ববিতা শৰ্মা পৰিচালিত **ভূপেনদা আনকাট** ছবিখন প্ৰদৰ্শন কৰা হ'ব। চলচ্চিত্ৰ মহোৎসৱৰ কালি তৃতীয় দিনা ইটালিয়ান, বাংলা, অসমীয়া ছবিকে ধৰি বহু প্ৰসিদ্ধ পৰিচালকৰ ছবি প্ৰদৰ্শন কৰা হয়। গোৱাৰ পৰা এয়া চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদৰ বিশেষ প্ৰতিবেদন –

বাইট

এছিয়াৰ অন্যতম পুৰণি আৰু সন্মানীয় এই চলচ্চিত্ৰ মহোৎসৱত দেশ-বিদেশৰ চলচ্চিত্ৰ নিৰ্মাতা, শিল্পী, কলাকুশলী তথা চলচ্চিত্ৰ প্ৰেমীসকলৰ আগমন হৈছে। এইবাৰৰ মহোৎসৱক জাপানক বিশেষ গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰ হিচাপে মৰ্যাদা দিয়া হৈছে। তদুপৰি স্পেইন, সহযোগী ৰাষ্ট্ৰ আৰু অষ্ট্ৰেলিয়াক মূল আকৰ্ষণ হিচাপে ৰখা হৈছে। এইবাৰৰ মহোৎসৱত দেশ-বিদেশৰ ২৭০ খনতকৈও অধিক চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হ'ব। মহোৎসৱত ৮০ খনতকৈও অধিক দেশৰ অতিথি আৰু চলচ্চিত্ৰ নিৰ্মাতাসকলে অংশগ্ৰহণ কৰিছে। আঠ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই মহোৎসৱ ২৮ নৱেম্বৰত সামৰণি পৰিব।

০০০০০০

সাম্প্ৰতিক সময়ত মাতৃভাষা মাধ্যমত অধ্যয়ন কৰা পৰীক্ষাৰ্থীয়ে প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতা লাভ কৰাত অন্তৰায়ৰ সৃষ্টি হৈছে নেকি এই বিষয়ত কালি আকাশবাণী গুৱাহাটীৰ এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰা হয়। অনুষ্ঠানত অংশ লৈ অধিবক্তা তথা সমাজকৰ্মী কৈলাস চন্দ্ৰ শৰ্মাই অসম লোকসেৱা আয়োগে প্ৰশাসনীয় পদৰ বাবে অনুষ্ঠিত কৰা পৰীক্ষাত অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণৰ তথ্য সন্দৰ্ভত তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত লোৱা পদক্ষেপ সন্দৰ্ভত এইদৰে কয়-

(বাইট ঃ কৈলাস চন্দ্ৰ শৰ্মা)

জ্যেষ্ঠ সাংবাদিক জিতুমণি বৰাই প্ৰশাসনীয় পদত মাতৃভাষা বা আঞ্চলিক ভাষাৰ গুৰুত্ব সম্পৰ্কে আলোকপাত কৰে।

(বাইট ঃ জিতুমণি বৰা)

এই অনুষ্ঠানত অসম লোকসেৱা আয়োগৰ প্ৰাক্তন সদস্য আনিছ-উজ জামানে মাতৃভাষাৰ গুৰুত্ব সম্পৰ্কে এইদৰে কয়।

(বাইট ঃ আনিছ-উজ জামান)

অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

আকাশবাণী গুৱাহাটীৰ নৰকাসুৰ পাহাৰত থকা মহাবাহু শাখাৰ ১০ কিলোৱাট শক্তিসম্পন্ন এফ এম ট্ৰান্সমিটাৰটো জৰুৰী মেৰামতিৰ বাবে আজি তৃতীয় দিনৰ বাবেও বন্ধ ৰখা হৈছে। বিকল্প ব্যৱস্থা হিচাপে এটা ১০০ ৱাট শক্তিৰ ট্ৰান্সমিটাৰেৰে এফ এম ম'ডত অনুষ্ঠানসমূহ প্ৰচাৰ কৰি থকা হৈছে। মহাবাহু শাখাৰ অনুষ্ঠান প্ৰচাৰনৰ কাৰিকৰী মান নিম্নগামী হোৱাৰ বাবে আমি দুঃখিত।

০০০০০০

ৰাজ্য চৰকাৰে নিযুত মইনা আঁচনিৰ আৰ্হিত ল'ৰাসকলৰ বাবেও জানুৱাৰীৰ পৰা এখন নতুন আঁচনি আৰম্ভ কৰাৰ বিষয়ে চিন্তা-চৰ্চা কৰি আছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি মহিলা উদ্যমিতা আঁচনিৰ অধীনত বঙাইগাঁও জিলাৰ অভয়াপুৰী বিধানসভা সমষ্টিৰ ২৩ হাজাৰ ৯৪৯ গৰাকী হিতাধিকাৰীলৈ ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। ড০ শৰ্মাই কয়, যে ৰাজ্য চৰকাৰে মহিলাসকলৰ কল্যাণৰ বাবে গ্ৰহণ কৰা লাখপতি বাইদেউ, অৰুণোদয়ৰ দৰে আঁচনিসমূহৰ সুফল স্বৰূপে বৰ্তমান

সমাজত মহিলাৰ সন্মান বৃদ্ধি পাইছে। ঘৰৰ লখিমী হিচাপে মহিলাসকলে নিজৰ ভৰিৰ ওপৰত নিজে থিয় দি মৰ্যাদা সহকাৰে জীৱন নিৰ্বাহ কৰিবলৈ আৰু পৰিয়ালৰ উন্নয়নত, সন্তানৰ শিক্ষা-দিক্ষাত সহযোগিতাৰ হাত আগবঢ়াবলৈ সমৰ্থ হৈছে বুলি তেওঁ মন্তব্য কৰে। ড০ শৰ্মাই কয়, যে সম্প্ৰতি ৰাজ্যৰ মহিলাসকলো পৰিয়ালৰ উপাৰ্জনৰ চালিকা শক্তিলৈও ৰূপান্তৰিত হৈছে। তেওঁ লগতে কয়, যে 'অসমমালা'ৰ অধীনত অভয়াপুৰী সমষ্টিত ঔভুবিৰ মাজেৰে যোগীঘোপাৰ পৰা বঙাইগাঁও সংযোগী পথ, তালগুৰি-বাসুগাঁও আৰু ছহিদ বেদীৰ পৰা উত্তৰ শালমাৰা জংচন সংযোগী পথ আৰু চাৰিখনকৈ দলং নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অতি সোনকালে বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় আৰু অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ সেৱা আৰম্ভ হ'ব বুলি তেওঁ উল্লেখ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জি-২০ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ, অসম চুক্তিৰ ছয় নম্বৰ দফা ৰূপায়ণত এখোজ, টেষ্ট ক্ৰিকেটৰ মানচিত্ৰত বৰ্ষাপাৰা আদি বাতৰি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

বিশ্বজোৰা উন্নয়নৰ পক্ষত আগবাঢ়ি আহিবলৈ দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনোৱাৰ বাতৰি অসমীয়া প্ৰতিদিনকে ধৰি আটাইবোৰ কাকতে প্ৰকাশ কৰিছে।

অসম চুক্তিৰ ছয় নম্বৰ দফা ৰূপায়ণৰ ক্ষেত্ৰত আছু আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ গুৰুত্বপূৰ্ণ বৈঠক সন্দৰ্ভত দৈনিক জনমভূমি, দি আছাম ট্ৰিবিউন আদিৰ লগতে আটাইবোৰ কাকতে বাতৰি প্ৰকাশ কৰিছে। জানুৱাৰীত ত্ৰিপাক্ষিক বৈঠক শিৰোনামেৰে আমাৰ অসম কাকতে এই একেতা বাতৰি বিস্তৃতভাৱে প্ৰকাশ কৰিছে।

২০২৬ চনত খিলঞ্জীয়া অসমীয়া আৰু পূৰ্ব বংগীয় মুছলমানৰ মাজত যুঁজ হ'ব বুলি ৰাজ্যিক বিজেপিৰ এটা ঘোষণাৰে নিয়মীয়া বাৰ্তা কাকতে বাতৰি প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে নৱনিযুক্ত শিক্ষকৰ যোগদানৰ পূৰ্বে জিলাই জিলাই দালালৰাজ গঢ়ি উঠা বুলি এটা বাতৰি প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতে অৱসৰ প্ৰাপ্ত শীৰ্ষ প্ৰশাসনিক বিষয়া হিতেশ দেৱ শৰ্মাই সাংবাদিক ৰাণা ডেকাক ভাবুকি দিয়া সন্দৰ্ভত এটা বাতৰি প্ৰকাশ কৰিছে।

তদন্তৰ খাতিৰত এছ আই টিয়ে জুবিন গাৰ্গৰ বাসগৃহৰ পৰা শিল্পীগৰাকীয়ে দুমাহ পূৰ্বে ছিংগাপুৰলৈ লগত লৈ যোৱা দুটা বেগ জব্দ কৰাৰ বাতৰি দ্যা ছেণ্টিনেল কাকতে প্ৰকাশ কৰিছে।

০০০০০০

বৰ্ষাপাৰা টেষ্টৰ আজি দ্বিতীয় দিনা দক্ষিণ আফ্ৰিকাই কালি ৬টা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২৪৭ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰে। আলহী দলটোৱে আমালৈ বাতৰি অহাৰ পৰলৈকে নতুনকৈ এটাও উইকেট নেহেৰুওৱাকৈ এক ৰান যোগ কৰিবলৈ সমৰ্থ হৈছে। দক্ষিণ আফ্ৰিকাৰ হৈ এছ মুথুস্বামীয়ে ২৬ আৰু কে ভেৰেইনে এক ৰান কৰি খেলি আছে।

ভাৰতৰ কুলদীপ যাদৱে তিনিটা আৰু জছপ্ৰীত বুমৰা, মহম্মদ ছিৰাজ আৰু ৰবীন্দ্ৰ জাদেজাই এটাকৈ উইকেট লাভ কৰিছে। ডিঙিৰ আঘাতৰ বাবে দ্বিতীয় টেষ্টৰ পৰা বাদ পৰা ভাৰতীয় দলৰ অধিনায়ক শুভমন গীলৰ স্থানত

ঋষভ পণ্টে এই খেলখনত দলক নেতৃত্ব দিছে। দক্ষিণ আফ্রিকা সম্প্ৰতি এই দুখনীয়া শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পৰৱৰ্তী সময়ত বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৮ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত মণিপুৰ, মিজোৰাম, অৰুণাচল, অসম, মেঘালয় আৰু নাগালেণ্ডৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হ'ব পাৰে বুলি  বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত